অসম চৰকাৰ

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়, অসম

# নিৰ্দেশনাৱলী

# স্বনিৰ্ভৰ নাৰী

(swanirbharnaari.assam.gov.in)



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম





## নাৰী সবলীকৰণৰ দিশত আৰু এখোজ

শ্ৰী ইউ. জি. ব্ৰহ্ম
মন্ত্ৰী, হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ
অসম



# অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেট ঘোষণা অনুসৰি ৰূপায়িত হ'বলগীয়া ধ্বজাবাহী আঁচনি "স্বনিৰ্ভৰ নাৰী"ৰ অধীনত গামোচা, আৰ'নাই, ডুমেৰ আদি ক্ৰয়ৰ নিৰ্দেশনাৱলী ঃ

## পাতনি

২০২১ চনৰ ৭ জুলাইত অনুষ্ঠিত অসম চৰকাৰৰ মন্ত্ৰীমণ্ডলৰ সভাৰ আলোচনা আৰু পৰৱৰ্তী বাজেট ঘোষণা অনুসৰি হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ে আৰ্টফেড আৰু অসম চৰকাৰৰ বেচাকিনা নিগমৰ জৰিয়তে "স্বনিৰ্ভৰ নাৰী" নামেৰে এক ধ্বজাবাহী আঁচনি ৰূপায়ণৰ দিহা কৰিছে। এই আঁচনিৰ অধীনত পৰম্পৰাগত ভাৱে তৈয়াৰ কৰা হস্ততাঁত বস্ত্ৰ যেনে গামোচা, আৰ'নাই, ডুমেৰ আদি কোনো মধ্য ভোগীৰ সহায় নোহোৱাকৈ পোনপটীয়া ভাবে শিপিনী সকলৰ পৰা ক্ৰয় কৰা হ'ব। ক্ৰয় কৰা উক্ত সামগ্ৰী সমূহ আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ বিভিন্ন শাখা তথা ই-বিপননৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হ'ব। যিহেতু ৰাজ্যৰ সৰহ সংখ্যক শিপিনীয়ে বয়নৰ ক্ষেত্ৰত পৰম্পৰাগত কৌশল ব্যৱহাৰ কৰি আহিছে, সেয়েহে প্ৰয়োজন সাপেক্ষে তেওঁলোকক বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰ সমূহৰ জৰিয়তে উন্নত মানৰ বস্ত্ৰ উৎপাদনৰ প্ৰশিক্ষণৰ লগতে যাবতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ ব্যৱস্থাও থাকিব।

**কাৰ্য্যপদ্ধতি**

আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে নিম্নলিখিত পদক্ষেপ সমূহ গ্ৰহণ কৰা হৈছে।

**সাধাৰণ**

১) কোনো মধ্যভোগীৰ সহায় নোলোৱাকৈ (swanirbharnaari.assam.gov.in) অনলাইন প'ৰ্টেলৰ জৰিয়তে পোনপটীয়াকৈ শিপিনী সকলৰ পৰা পৰম্পৰাগত হস্ততাঁত সামগ্ৰী সমূহ ক্ৰয় কৰা হ'ব।

২) এনেধৰণৰ ক্ৰয়ৰ ক্ষেত্ৰত সকলো প্ৰশাসনীয় ক্ষমতা সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ, অসমৰ হাতত ন্যস্ত থাকিব। এই সন্দৰ্ভত আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমে যথা সম্ভৱ সহযোগিতা আগবঢ়াব।

৩) অসম পাব্লিক প্ৰকিউৰমেণ্ট আইন, ২০১৭ ৰ ধাৰা ৬(২)ৰ লগত সঙ্গতি ৰাখি "স্বনিৰ্ভৰ নাৰী" আঁচনিখন কৰ্ত্তৃত্বশীল কৰ্তৃপক্ষৰ দ্বাৰা শিপিনী সকলক উপকৃত কৰিব পৰাকৈ সূচিত কৰা হ'ব।

**পঞ্জীয়ন**

৪) এই আঁচনিৰ সুফল লাভ কৰিব বিচৰা শিপিনী সকলে "স্বনিৰ্ভৰ নাৰী" প'ৰ্টেল যোগে নিজৰ নাম পঞ্জীয়নভুক্ত কৰিব লাগিব। বিভাগৰ দ্বাৰা অনুমোদিত নিৰ্দ্দিষ্ট মানদণ্ড সূচক বস্ত্ৰ উৎপাদন কৰা সকলো শিপিনীয়ে এই প'ৰ্টেলৰ জৰিয়তে নাম পঞ্জীয়ন কৰিব লাগিব। বিভাগীয় বিষয়াৰ ক্ষেত্ৰ ভিত্তিক অনুসন্ধান সাপেক্ষেহে এই পঞ্জীয়ন গৃহীত কৰা হ'ব। পঞ্জীয়ন শিপিনী গৰাকীৰ আধাৰ নম্বৰৰ লগত সংযোজিত হ'ব।

৫) অসম চৰকাৰৰ নিৰ্দ্ধাৰিত কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে "অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডে" ইতিমধ্যে এই আঁচনিখনৰ সফল ৰূপায়ণ কৰিব পৰাকৈ "স্বনিৰ্ভৰ নাৰী" সূচক এটি প'ৰ্টেল সাজু কৰিছে।

৬) দফা নং ৭.১ ৰ পৰা ৭.৪ লৈ উল্লিখিত নথিভুক্ত তথ্য সমূহৰ ভিত্তিতহে এই প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব।

৭) **যোগ্যতাৰ মাপকাঠী**

৭.১. আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে কমেও ঘৰত এখন হস্ততাঁত থকা হ'ব লাগিব।

৭.২. শিপিনী গৰাকী ক'ৰ বেংকিং (Core Banking Solution) ৰ সুবিধা থকা পাছবুকৰ অধিকাৰী হ'ব লাগিব।

৭.৩. সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প অসমৰ দ্বাৰা প্ৰদান কৰা সূতা পাছবুক। (যদিহে আছে)

৭.৪ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ পৰিদৰ্শক পৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা ক্ষেত্ৰ ভিত্তিক সত্যতা নিৰূপন সাপেক্ষে সকলো থলুৱা শিপিনীয়ে উক্ত পোৰ্টেল যোগে পঞ্জীয়নৰ বাবে বিবেচিত হ'ব।

৮) **উৎপাদিত সামগ্ৰীৰ মানদণ্ড**

চৰকাৰৰ দ্বাৰা গঠিত এক বিশেষজ্ঞ কমিটিয়ে পৰম্পৰাগত হস্ততাঁত বস্ত্ৰৰ জোখ, গুণগত মানৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্দ্ধাৰণ কৰা মূল্যতহে সামগ্ৰী সমূহ ক্ৰয় কৰা হ'ব। (অনুমোদিত সামগ্ৰীসমূহৰ তালিকা শেষত সংলগ্ন কৰা হৈছে)

৯) **পুঁজি**

৯.১ চৰকাৰী ভাবে আৱণ্টিত পুঁজি তথা বিক্ৰী মূল্যসমূহ কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ খতিয়ান বহীত জমা কৰা হ'ব। উক্ত খতিয়ান বহী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম আৰু পৰিচালন সঞ্চালক, অসম চৰকাৰৰ বেচা-কিনা নিগমৰ যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

৯.২ উক্ত খতিয়ান বহীৰ জৰিয়তে শিপিনীসকলক সামগ্ৰী সমূহৰ মূল্য সাংখ্যিক পদ্ধতিৰে (Digital Payment) আদায় দিয়া হ'ব।

৯.৩ উক্ত খতিয়ান বহী সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম আৰু পৰিচালন সঞ্চালক, অসম চৰকাৰৰ বেচা-কিনা নিগমৰ নিগমৰ দ্বাৰা যুটীয়া ভাৱে পৰিচালিত হব।

৯.৪ উক্ত খতিয়ান বহীত সংগ্ৰহীত হোৱা সুত প্ৰতি ছমাহৰ মূৰে মূৰে সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসমে চৰকাৰী কোষাগাৰত জমা কৰিব।

৯.৫ খতিয়ান বহীৰ হিচাপৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো নথিপত্ৰ যেনে- ৰোকৰ বহী, জমা খৰচৰ বহী আদি বেলেগে বেলেগে সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসমে পৰিচালনা কৰিব।

৯.৬ কৰ্তৃত্বশীল অধিকাৰীৰ দ্বাৰা সময়ে সময়ে সকলো হিচাপ পৰীক্ষা কৰা হ'ব।

## ১০) **পৰিশোধ/মূল্য আদায়**

সামগ্ৰী সমূহ ক্ৰয় কৰাৰ চাৰিদিনৰ ভিতৰত সমুদায় মূল্য শিপিনী গৰাকীক আদায় দিয়া হয়।

## ১১) **টোপোলাকৰণ**

নিৰাপদ তথা দীৰ্ঘকালীন সংৰক্ষণৰ বাবে ক্ৰয়কৃত সামগ্ৰীসমূহ প্ৰতিটো বায়ু নিৰুদ্ধ এল. টি. পি. ই. মোনাত ২০ খনকৈ ৰখা হ'ব। এই ক্ষেত্ৰত জলীয় ভাপ শোষণকাৰী চচেট/নেপথলিনৰ বড়ি ব্যৱহাৰ কৰা হ'ব। এনেধৰণৰ বায়ুনিৰুদ্ধ ২৫ টা টোপোলা এখন ডাঙৰ মোনাত ভৰাই মজবুত পেকেট কৰি লেবেল লগোৱা হ'ব।

১২) **নিৰীক্ষণ**

সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ তত্ত্বাবধানত নিম্নলিখিত ৫ জন সদস্যৰ দ্বাৰা এখন তদাৰকী কমিটি গঠন কৰা হ'ব। কমিটীখনে দৈনিক ক্ৰয়-বিক্ৰয়, পৰিশোধ আদিৰ তদাৰক কৰিব।

**কমিটীৰ সদস্যসকল হ'ল—**

১. সঞ্চালক, ৰেচম বিভাগ, অসম

২. পৰিচালন সঞ্চালক, আৰ্টফেড

৩. পৰিচালন সঞ্চালক, অসম চৰকাৰৰ বেচা-কিনা নিগম

৪. যুটীয়া সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম

৫. বিভাগীয় বিত্ত আৰু গাণনিক বিষয়া

১৩) আৰ্টফেড তথা অসম চৰকাৰৰ বেচা-কিনা নিগমৰ লগত সংগতি ৰখাৰ লগতে ৰেকৰ্ড সংৰক্ষণ আদি কাৰ্য্যৰ বাবে সম্পূৰ্ণ ঠিকাভিত্তিক ৰূপত নিম্নলিখিত পদসমূহ সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসমে পূৰণ কৰিব।

১. হিচাপ পৰিচালক - ১ টা
শিক্ষাগত অৰ্হতা-এম.বি.এ. (বিত্ত)

২. এম. আই. এছ. পৰিচালক - ১ টা
শিক্ষাগত অৰ্হতা-বি.টেক./বি.ই. (আই.টি. বা কম্পিউটাৰ)

৩. হিচাপ সহায়ক - ২ টা
শিক্ষাগত অৰ্হতা-বাণিজ্য শাখাত স্নাতক (টেলি সম্পৰ্কত জ্ঞান সম্পন্ন)

## ১৪) **সামগ্ৰীৰ ক্ৰয়**

১৪.১ প্ৰতিগৰাকী পঞ্জীকৃত শিপিনীৰ পৰা এবাৰত মাপসূচক সামগ্ৰী সৰ্বাধিক ১০০ খনহে কিনা হ'ব।

১৪.২ পঞ্জীয়নকৃত শিপিনীৰ সংখ্যাৰ ভিত্তিত জিলা পৰ্য্যায়ত সামগ্ৰী ক্ৰয় কেন্দ্ৰৰ সংখ্যা নিৰূপন কৰা হ'ব। সেইদৰে অধিক সংখ্যক শিপিনী থকা উন্নয়ন খণ্ডতো সামগ্ৰী "ক্ৰয় কেন্দ্ৰ" স্থাপন কৰা হ'ব।

১৪.৩ নিৰ্বাচিত কেন্দ্ৰ সমূহ প্ৰথম পৰ্যায়ত ১৫ দিন চলিব আৰু প্ৰয়োজন সাপেক্ষে ৩০ দিন পৰ্য্যন্ত খোলা ৰখাৰ ব্যৱস্থা থাকিব।প্ৰতিটো কেন্দ্ৰত এজন তত্বাবধায়ক সহ ৪ জনীয়া এখন "ক্ৰয় কমিটি" গঠন কৰা হ'ব। উক্ত ক্ৰয় কমিটিৰ তত্বাবধায়কজন বিভাগৰ পৰিদৰ্শক পৰ্য্যায়ৰ হ'ব লাগিব, বাকী সদস্য সমূহৰ ক্ৰমে এজন স্থানীয় আৰ্টফেড/ অসম চৰকাৰৰ বেচা-কিনা নিগমৰ কৰ্মচাৰী, এজন ৰেচম বিভাগৰ কাৰিকৰী বিষয়া আন এজন উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰতিনিধি।

১৪.৪ তথ্য সংগ্ৰহ, সংৰক্ষণ আদি কামত ক্ৰয় কমিটি খনক এ. এফ.চি.এছ.চি.এল.ৰ কাৰিকৰী বিষয়াসকলে যথোচিত সহায় আগবঢ়াব।

১৪.৫ ক্ৰয় কমিটিয়ে পূৰ্বে নিৰ্ধাৰিত/ অনুমোদিত মানদণ্ড সূচক সামগ্ৰীসমূহ পৰীক্ষা কৰি তাৰ মূল্য নিৰ্ধাৰণ কৰিব।

১৪.৬ প্ৰতিটো ক্ৰয়ৰ বিপৰীতে এখন প্ৰণালীবদ্ধ ৰছিদ উৎপন্ন হ'ব য'ত ক্ৰয় সামগ্ৰীৰ সকলো তথ্য, মূল্য আৰু শিপিনীৰ নিজস্ব বেংক একাউণ্ট নং আদি থাকিব।

১৪.৭ ক্ৰয় কমিটিয়ে প্ৰতিটো ক্ৰয় আৰু শিপিনীৰ সবিশেষ প'ৰ্টেলত উপস্থাপন কৰিব।

১৪.৮ প্ৰতিটো সামগ্ৰীৰ ক্ৰয়ৰ বিপৰীতে এখন প্ৰণালীবদ্ধ বাৰক'ড উৎপন্ন হ'ব আৰু সেই বাৰক'ডখন ক্ৰয় কৰা কাপোৰত আঠা লগাই দিয়া হ'ব, যিয়ে গ্ৰাহকক উৎপাদনৰ প্ৰকৃত উৎসৰ লগত সম্বন্ধ স্থাপনত সহায় কৰিব।

১৪.৯ ক্ৰয় কমিটিয়ে ক্ৰয় সামগ্ৰীসমূহৰ উপযুক্ত সংৰক্ষণ, টোপোলাকৰণ আদিৰ সুনিশ্চিত কৰণ কৰিব লাগিব।

১৫) **প্ৰচাৰ**

১৫.১ জনসংযোগ আৰু অন্যান্য গণ মাধ্যমৰ যোগেদি এই আঁচনিখনৰ বিষদ প্ৰচাৰ কৰা হ'ব।

১৫.২ আঁচনি সন্দৰ্ভত জনসংযোগ বিভাগে বিভিন্ন গণ মাধ্যমৰ জৰিয়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী তথা বিভাগীয় মন্ত্ৰী মহোদয়ৰ গোঁহাৰি প্ৰচাৰ কৰিব।

১৬) **সামগ্ৰী ক্ৰয়ৰ পৰৱৰ্তী ব্যৱস্থাৱলী**

১৬.১ বিক্ৰীৰ বিশেষ পাৰদৰ্শিতা থকা আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ বিপণীসমূহলৈ ক্ৰয় কৰা সামগ্ৰীসমূহ প্ৰেৰণ কৰা হ'ব।

১৬.২ ক্ৰয় কৰা সামগ্ৰীসমূহ আৰ্টফেড (জাগৰণ) আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ (প্ৰাগজ্যোতিকা) বহিঃৰাজ্যত থকা শাখাসমূহলৈও প্ৰেৰণ কৰা হ'ব।

১৬.৩ আঁচনিখনৰ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় প'ৰ্টেল প্ৰস্তুত, ক্ৰয় কেন্দ্ৰ স্থাপন, টোপোলাকৰণ, পৰিবহণ, মজুত কৰণ আৰু আকস্মিক ব্যয়ৰ বাবে মুঠ আৱণ্টিত ধনৰ সৰ্বোচ্চ ১০% প্ৰশাসনীয় ব্যয় হিচাপে খৰচ কৰিব পাৰিব।

১৬.৪ নিবিদা আহ্বান কৰি অতিৰিক্ত সেৱা যেনে- তথ্য সংযোজন, বাৰক'ড ছপোৱা আৰু লগোৱা, পৰিবহণ, টোপোলাকৰণ আদি কামৰ আৱণ্টনৰ ব্যৱস্থা কৰা হ'ব। ১০% প্ৰশাসনীয়

ব্যয়ৰ পৰাই এই খৰচ বহন কৰা হ'ব। এই শিতানৰ পৰা "ক্রয় কেন্দ্র" স্থাপনৰ বাবে বিভাগৰ সহকাৰী সঞ্চালক আৰু অধীক্ষক সকলক প্রতিটো কেন্দ্রৰ বিপৰীতে ১০,০০০/- টকাকৈ ধন আগবঢ়োৱা হ'ব।

১৬.৫ আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমে সামগ্ৰী ক্রয় মূল্যৰ ওপৰত ১০% লাভ সংযোজন কৰি বিক্রীৰ ব্যৱস্থা কৰিব। ইয়াত অতিৰিক্ত ভাবে প্রয়োজনীয় জি.এছ. টি. সংযোজিত হ'ব।

১৬.৬ সামগ্ৰী বিক্রীৰ পাছত আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমে পূৰ্বে নিৰ্ধাৰিত বেংকৰ খতিয়ান বহীত ক্রয় মূল্য তাৎক্ষনিক ভাৱে জমা দিব লাগিব।

১৬.৭ সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসমে "স্বনিৰ্ভৰ নাৰী" প'ৰ্টেল যোগেদি দৈনিক ক্রয়-বিক্রয় আদিৰ তদাৰক কৰিব।

**স্বাক্ষৰ ঃ শ্ৰী দিলীপ কুমাৰ বৰা,** *আই.এ.এছ.*
সচিব,
হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ
অসম চৰকাৰ, দিছপুৰ, গুৱাহাটী-৬

## স্বনিৰ্ভৰ নাৰী, ২০২১-২২ আঁচনিৰ অধীনত থলুৱা শিপিনীয়ে হাতে বোৱা বিভিন্ন প্ৰকাৰৰ বস্ত্ৰৰ মানদণ্ড আৰু ক্ৰয়ৰ নিৰিখ ঃ


| ক্ৰমিক নং | ধৰন | মানদণ্ড | বস্ত্ৰৰ বিষদ বিৱৰণ | | | | ক্ৰয়ৰ নিৰিখ (টকাত) |
|---|---|---|---|---|---|---|---|
| | | | ব্যৱহৃত সূতা | জোখ | ওজন | চানেকি | |
| ১ | ফুলাম গামোচা | এম.এচ./এম.এচ.–এ | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) | ৬০"X২৪"(±১) | ১০০-১১৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে এফালে ৪" জোখৰ চানেকি য়ুক্ত। | ১৭৫.০০ |
| ২ | | এম.এচ./এম.এচ.–বি | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) | ৬০"X২৪"(±১) | ১০০-১১৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭" (±১)জোখৰ চানেকি য়ুক্ত। | ২৬০.০০ |
| ৩ | | এম.এচ./এম.এচ.–চি | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) | ৬৫"X২৫"(±১) | ১০০-১২৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭" (±১)জোখৰ চানেকি আৰু সম্পূৰ্ণ বুটা য়ুক্ত। | ৩২০.০০ |
| ৪ | | এম.এচ./বি-এল-এ | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ৪০$^{S}$-৩২$^{S}$ (ব্লিচ) | ৬০"X২৪"(±১) | ১০০-১১৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে এফালে ৪" জোখৰ চানেকি য়ুক্ত। | ১৫০.০০ |
| ৫ | | এম.এচ./বি-এল-বি | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ৪০$^{S}$-৩২$^{S}$ (ব্লিচ) | ৬০"X২৪"(±১) | ১০০-১১৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭"(±১) জোখৰ চানেকি য়ুক্ত। | ১৮০.০০ |
| ৬ | | এম.এচ./বি-এল-চি | দীঘৰ সূতা ২/৮০$^{S}$-২/৬০$^{S}$(মাৰ্চৰাইজ) বাণীৰ সূতা ৪০$^{S}$-৩২$^{S}$ (ব্লিচ) | ৬৫"X২৫"(±১) | ১০০-১২৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭" (±১) জোখৰ চানেকি য়ুক্ত আৰু সম্পূৰ্ণ বুটা য়ুক্ত। | ৩৩৫.০০ |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ৭ | চিল্ক গামোচা | চিল্ক-জি | দীঘৰ সূতা ১৬/১৮ ডেনিয়াৰ (দুডলীয়া) মালৱাৰী চিল্ক, বাণীৰ সূতা ১৩/১৫ ডেনিয়াৰ (তিনিডলীয়া), মালৱাৰী চিল্ক | ৬০"X২৪"(±১) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭"(±১) জোথৰ চানেকি যুক্ত । | ১০৯৫.০০ |
| ৮ | | চিল্ক-জি (বুটা) | দীঘৰ সূতা ১৬/১৮ ডেনিয়াৰ (দুডলীয়া) মালৱাৰী চিল্ক,বাণীৰ সূতা ১৩/১৫ ডেনিয়াৰ (দুডলীয়া) মালৱাৰী চিল্ক | ৭০"X২৫"(±১) | ৯৫-১০৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭"(±১) জোথৰ চানেকি যুক্ত আৰু সম্পূৰ্ণ বুটা যুক্ত । | ১৩২৫.০০ |
| ৯ | | টচৰ-জি | দীঘ আৰু বাণীৰ সূতা ৬৬/৭৭ ডেনিয়াৰ টচৰ চিল্ক | ৬০"X২৪"(±১) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭"(±১) জোথৰ চানেকি যুক্ত । | ১৪৯৫.০০ |
| ১০ | | টচৰ-জি (বুটা) | দীঘ আৰু বাণীৰ সূতা ৬৬/৭৭ ডেনিয়াৰ টচৰ চিল্ক | ৭০"X২৫"(±১) | ৯০-১০৫ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৭"(±১) জোথৰ চানেকি যুক্ত আৰু সম্পূৰ্ণ বুটা যুক্ত । | ১৮৪০.০০ |
| ১১ | আৰ'নাই | আৰ'নাই-এক্ৰিলিক | এক্ৰিলিক | ৭৫"X১০"(±২) | ৮০-১০০ গ্ৰাম | অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰে দুয়োফালে সম্পূৰ্ণ চানেকি যুক্ত । | ২৬০.০০ |
| ১২ | | আৰ'নাই-কপাহী | কপাহী | ৭৫"X১২"(±২) | ১০০-১২০ গ্ৰাম | অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰে দুয়োফালে সম্পূৰ্ণ চানেকি যুক্ত । | ৩২০.০০ |
| ১৩ | | আৰ'নাই-পলিয়েষ্টাৰ | পলিয়েষ্টাৰ | ৭৫"X১২"(±২) | ১০০-১২০ গ্ৰাম | অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰে দুয়োফালে সম্পূৰ্ণ চানেকি যুক্ত । | ২৩০.০০ |
| ১৪ | কাৰ্বি পহ | কাৰ্বি পহ (চিন্থেটিক) | পলিয়েষ্টাৰ/এক্ৰিলিক (চিন্থেটিক) | ৬২"X১০"(±১) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৬"(±২) জোথৰ চানেকি যুক্ত । | ২৬০.০০ |
| ১৫ | | কাৰ্বি পহ (কপাহী) | কপাহী (কমৰ বন্ধা তাঁত শাল) | ৬২"X১০"(±১) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে দুয়োফালে ৬"(±২) জোথৰ চানেকি যুক্ত । | ৪০৫.০০ |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১৬ | মনিপুৰী খুদেই | মনিপুৰী অংগবস্ত্ৰ | কপাহী (মাৰ্চৰাইজ) | ৬৪"X২৪"(± ১) | ৯০-১০০ গ্ৰাম | সৰল বোৱন (সাত ৰঙৰ ব্যৱহাৰ) । | ১৫০.০০ |
| ১৭ | ৰাভা পাজাৰ | পাজাৰ-১ | পলিয়েষ্টাৰ/এক্ৰিলিক (চিন্থেটিক) | ৬০"X১৫"(± ২) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত দীঘ সূতাৰ চানেকি । | ২৪০.০০ |
| ১৮ | | পাজাৰ-২ | পলিয়েষ্টাৰ/এক্ৰিলিক (চিন্থেটিক) | ৬৪"X১৫"(±১) | ৯০-১০০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰ চানেকি । | ৬৩০.০০ |
| ১৯ | | পাজাৰ-৩ | পলিয়েষ্টাৰ/এক্ৰিলিক (চিন্থেটিক) | ৭০"X১২"(±১) | ১০০-১১০ গ্ৰাম | অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰ চানেকি । | ৮৯৫.০০ |
| ২০ | ডিমাচা ৰিচা বাচা | ৰিচা | চিন্থেটিক | ৯০"X১৮"(±১) | ৯০-১১০ গ্ৰাম | দুয়োফালে অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰ চানেকি । | ৩২০.০০ |
| ২১ | | ৰিচা | কপাহী | ৬০"X১৮" (±১) | ১২০-১৪০ গ্ৰাম | দুয়োফালে অতিৰিক্ত দীঘ আৰু বাণীৰ সূতাৰ চানেকি । | ৩৯০.০০ |
| ২২ | মিচিং-ডুমেৰ আৰু এৰকগ | মিচিং-ডি (ডুমেৰ) | কপাহী | ৫৭"X২৪"(±২) | ৯০-১১০ গ্ৰাম | দুয়োফালে অতিৰিক্ত বাণীৰ সূতাৰ চানেকি । | ২১০.০০ |
| ২৩ | | মিচিং এৰকগ-এম (মাফলাৰ) | এক্ৰিলিক/উণ | ৮০"X১২"(±২) | ১০০-১২০ গ্ৰাম | ৰঙা ৰঙৰ ষ্ট্ৰাইপ । | ২৬৫.০০ |
| ২৪ | কোচৰাজবংশী গামোচা | কে.আৰ.-জি | কপাহী (মাৰ্চৰাইজ) | ৫৭"X২৪"(± ২) | ৯০-১২০ গ্ৰাম | হালধীয়া ৰঙৰ বস্ত্ৰত সেউজীয়া কাষৰী আৰু চানেকি যুক্ত । | ২১০.০০ |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ২৫ | টিৱা ফালি | টিৱা ফালি | কপাহী (মাৰ্চৰাইজ) | ৫৭"X২৪"(±২) | ৯০-১২০ গ্ৰাম | কমলা ৰঙৰ কাপোৰ আৰু ভিন্ন ৰঙৰ চানেকি । | ২৪৫.০০ |
| ২৬ | সাধৰন/ টিমনী গামোচা | জেন-জি-এ | দীঘ আৰু বাণী দুডলীয়া সূতা | ৭০"X৩০"(±২) | ২০০-২২০ গ্ৰাম | সাধৰন/চেক গামোচা । | ২৫৫.০০ |
| ২৭ | | জেন-জি-বি | দুডলীয়া দীঘৰ সূতা আৰু এডলীয়া বাণী সূতা (বগা) | ৭০"X৩০"(±২) | ১৮০-২০০ গ্ৰাম | সাধৰন/চেক গামোচা । | ২৪৫.০০ |
| ২৮ | | জেন-জি-বি (চি.এল) | দুডলীয়া দীঘৰ সূতা আৰু এডলীয়া বাণী সূতা (ৰঙীণ) | ৭০"X৩০"(±২) | ১৮০-২০০ গ্ৰাম | সাধৰন/চেক গামোচা । | ২৬৫.০০ |
| ২৯ | | জেন-জি -চি | এডলীয়া সূতা | ৭০"X৩০"(±২) | ১৭০-১৯০ গ্ৰাম | সাধৰন/চেক গামোচা । | ২৩০.০০ |
| ৩০ | দেউতী গামোচা | ডি.-জি.-বগা | দীঘৰ সূতা ২/৮০ $^{S}$ -২/৬০ $^{S}$ (মাৰ্চৰাইজ) বাণীৰ সূতা ২/৮০ $^{S}$ -২/৬০ $^{S}$ (মাৰ্চৰাইজ) | ৫৪"X২২"(±২) | ১০০-১১০ গ্ৰাম | অতিৰিক্ত বাণীৰ সূতাৰে এফালে ৩"-৫" জোখৰ চানেকি যুক্ত । | ১৭৫.০০ |
| ৩১ | | ডি.-জি.-ৰঙীণ | দীঘৰ সূতা ২/৮০ $^{S}$ -২/৬০ $^{S}$ (মাৰ্চৰাইজ) বাণীৰ সূতা ২/৮০ $^{S}$ -২/৬০ $^{S}$ (মাৰ্চৰাইজ) | ৫৪"X২২"(±২) | ১০০-১১০ গ্ৰাম | চানেকি বিহীন বয়ন। | ১৭৫.০০ |




হস্ততাঁত বস্ত্ৰ ক্ৰয় কৰি
থলুৱা শিপিনীসকলক উৎসাহিত কৰক।
আঁচনিখনৰ সবিশেষ জানিবলৈ
বিভাগৰ জিলা আৰু মহকুমাত অৱস্থিত
সহকাৰী সঞ্চালক আৰু অধীক্ষকৰ কাৰ্যালয়ৰ সৈতে
যোগাযোগ কৰিব পাৰে।
অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত, জুলাই-২০২২